# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-04-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

অহা ২ আৰু ৭ মে’ত হ’বলগীয়া পঞ্চায়ত নিৰ্বাচনক লৈ ৰাজনৈতিক দলসমূহৰ মাজত তৎপৰতা বৃদ্ধি পাইছে। শাসক-বিৰোধীৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলাইছে। একেদৰে নিৰ্বাচন সুকলমে পৰিচালনা কৰাৰ বাবে বিভিন্ন জিলা প্ৰশাসনে ব্যাপক প্ৰস্তুতি চলাইছে। কামৰূপ জিলাত অহা ৭ মে’ত হ’বলগীয়া দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে জিলাখনৰ প্ৰিজাইডিং আৰু প’লিং বিষয়াসকলক দুদিনীয়াকৈ প্ৰশিক্ষণ প্ৰদান কৰা হয়। দক্ষিণ কামৰূপ মহাবিদ্যালয়ত এই প্ৰশিক্ষণ সম্পন্ন কৰা হৈছে। কামৰূপ জিলাৰ পলাশবাৰী, বকো-ছয়গাঁও, ছমৰীয়া, হাজো-শুৱালকুছি আৰু কমলপুৰ বিধানসভা সমষ্টিত জিলা আয়ুক্তই আৰু ৰঙিয়া বিধানসভা সমষ্টিৰ নিৰ্বাচন ৰঙিয়া সমজিলাৰ আয়ুক্তই পৰিচালনা কৰিব। জিলাখনত শান্তিপূৰ্ণভাৱে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ ষ্ট্ৰং ৰুম, ভোটগণনা কক্ষ, তিনিটা স্থানত ক্ৰমে- দক্ষিণ কামৰূপ মহাবিদ্যালয়, আমিনগাঁও জিলা আয়ুক্তৰ কাৰ্যালয় আৰু ৰঙিয়াত সুকীয়াকৈ স্থাপন কৰা হ’ব বুলি জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

নগাঁও সাংস্কৃতিক প্ৰকল্পত আজি ক্ৰান্তিকাল প্ৰকাশন আৰু অজন্তা প্ৰেছৰ ৰূপালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভৰ সৈতে সংগতি ৰাখি বিশিষ্ট সমাজকৰ্মী নৌছাদ আখতাৰ হাজৰিকাক চলিত বছৰৰ ক্ৰান্তিকাল সন্মান প্ৰদান কৰা হয়। অনুষ্ঠানৰ অংশ হিচাপে বিশিষ্ট সংগীতশিল্পী মনিষা হাজৰিকাই ৰেকিবুদ্দিন আহমেদ হাজৰিকা ৰচিত আৰু ক্ৰান্তিকাল প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত সুৰীয়া নগাঁও নামৰ এখন গ্ৰন্থ উন্মোচন কৰে। অনুষ্ঠানত নগাঁৱৰ ৫ গৰাকী জ্যেষ্ঠ সাংবাদিকক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক, গল্পকাৰ মনোজ কুমাৰ গোস্বামী প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

যোৰহাট জিলা আয়ুক্ত জয় শিৱানীয়ে আজি মৰিয়নিত কেইৰ্ন অইল এণ্ড গেছ প্ৰকল্পৰ স্থান পৰিদৰ্শন কৰে। জিলা আয়ুক্তগৰাকীয়ে পৰিদৰ্শনকালত প্ৰস্তাৱিত কামসমূহৰ মূল্যায়ন কৰাৰ লগতে নিয়োগৰ সুযোগ বৃদ্ধি আৰু আঞ্চলিক উন্নয়নক উৎসাহিত কৰাৰ লক্ষ্যৰে ভৱিষ্যতৰ পৰিকল্পনাসমূহৰ সন্দৰ্ভত আলোচনা কৰে।

ooooo

ধেমাজি জিলাৰ কুলাজানত ধেমাজি আৰু জোনাই বিধানসভা সমষ্টিৰ প্ৰথমগৰাকী বিধায়ক, প্ৰাক্তন মন্ত্ৰী ৰমেশ মোহন কুলিৰ প্ৰতিমূৰ্তি আৰু উদ্যানখন আজি আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। জোনাইৰ বিধায়ক ভূবনে পেগুৱে আজি এই প্ৰতিমূৰ্তি আৰু উদ্যানখন উদ্বোধন কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি শিক্ষামন্ত্ৰী তথা ধেমাজিৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে জননেতাগৰাকীৰ বহুমূলীয়া অৱদানক সুঁৱৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন

কৰে। উল্লেখযোগ্য যে জননেতাগৰাকীৰ আদৰ্শ চিৰযুগমীয়া কৰাৰ প্ৰয়াসেৰে ২০২১ চনৰ পৰা প্ৰতিমূৰ্তি নিৰ্মাণ আৰু স্মৃতি উদ্যানৰ ন্যাস সমিতিয়ে অঞ্চলটোৰ ৰাইজৰ সহযোগিতাত নিৰ্মাণ কৰি উলিয়াইছে।

ooooo

সাদিনীয়া ৰঙালী বিহুৰ আজি শেষৰ দিনটো চেৰা বা এৰা বিহু হিচাপে পালন কৰা হৈছে। পৰম্পৰা অনুসৰি চেৰা বিহুৰ দিনা দৈ আৰু পঁইতা ভাত খোৱা হয় আৰু বিচনীৰে জুৰ লোৱা হয়। এনেদৰে বিচনীৰে জুৰ ল'লে বছৰটোলৈ দেহা শাঁত পৰি থাকে বুলি বিশ্বাস কৰা হয়। চেৰা বিহুৰ সৈতে বিভিন্ন ৰীতি-নীতি প্ৰচলিত আছে। ৰাজ্যৰ ঠায়ে ঠায়ে আজি বিহু উৰুওৱা বা বিহু ভঙা উৎসৱ পালন কৰা হয়। উজনি অসমৰ কোনো কোনো স্থানত আজি পৰম্পৰা অনুসৰি ৰাইজে বৰগছৰ গুৰিত হাঁচতি আগবঢ়াই বিহু উৰুওৱাৰ প্ৰথা আছে। মাজুলীৰ কমলাবাৰী সত্ৰত আজি চেৰা বিহু উপলক্ষে পুৱাতে প্ৰসংগ শেষ হোৱাৰ পাছত গায়ন-বায়নৰ প্ৰসংগ বন্ধ ৰখা হয়। তদুপৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত মানুহ বিহুৰ দিনা লোৱা বিহুৱানবোৰ ধুই আজি বিহুক বিদায় দিয়া হয়।

ইপিনে নামনি অসমৰ বিভিন্ন প্ৰান্তত আজি সাতবিহু বা চেৰা বিহু উপলক্ষে সাতশাকিৰ পৰম্পৰা ৰক্ষা কৰা হয়। বিহুৰ সপ্তম দিন উপলক্ষে আজি সাতবিধ শাকৰ ভাজি খোৱা হয়। কোনো কোনো ঠাইত সাত শাক তুলিবলৈ যাওঁতে সাতশাকি গীত গোৱাৰো পৰম্পৰা আছে।

ৰাজ্যখনৰ বিভিন্ন স্থানত অনুষ্ঠিত বিহু সন্মিলনীয়ে উখল-মাখল পৰিৱেশত সৃষ্টি কৰিছে। মৰিগাঁও জিলা জাগীৰোডত দুদিনীয়া কাৰ্যসূচীৰে ৫৮ সংখ্যক কেন্দ্ৰীয় ৰঙালী বিহু অনুষ্ঠিত হৈছে। বিহু উপলক্ষে আয়োজিত সাংস্কৃতিক শোভাযাত্ৰা অভিনেত্ৰী চেতনা দাসে উদ্বোধন কৰে। সাংস্কৃতিক শোভাযাত্ৰাত বিহুৰ লগতে তিৱা, বড়ো, কাৰ্বি, ৰাভা, মিছিং, নেপালী, আদিবাসী আদি বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি প্ৰদৰ্শন কৰা হয়।

ooooo

ৰাজ্যত যোৱা ১৪ এপ্ৰিলৰ পৰা পালন কৰা অগ্নি নিৰ্বাপক সেৱা সপ্তাহৰ আজি সামৰণি পৰে। এই সময়ছোৱাত ৰাজ্যৰ অগ্নি আৰু আপদকালীন সেৱা সঞ্চালকালয়ে অগ্নিকাণ্ডৰ পৰা হাত সাৰি থাকিবৰ বাবে জনসাধাৰণক সজাগ কৰিবলৈ ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হয়। ইয়াৰ লগতে ৰাইজক জুই লগা ঘটনাৰ পৰা হাত সাৰিবলৈ বিভিন্ন বিভিন্ন পৰামৰ্শ জাৰি কৰিছে। তদুপৰি ঘৰৰ পৰা ওলাই যোৱাৰ আগতে সকলো বৈদ্যুতিক সা-সঁজুলি আৰু ৰন্ধন গেছৰ ৰেগুলেটৰ বন্ধ কৰি যাবলৈও কোৱা হৈছে। ৰন্ধন গেছৰ চিলিণ্ডাৰত জুই লাগিলে আতংকিত নহয় ন'বটো বন্ধ কৰিবলৈ আৰু জ্বলি থকা চিলিণ্ডাৰ তিতা কাপোৰেৰে ঢাকিবলৈ পৰামৰ্শ দিয়া হৈছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চণ্ডীগড়ত অনুষ্ঠিত খেলখনত পাঞ্জাৱ কিংছে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক জয়ৰ বাবে ১৫৮ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। খেলখনত টছত হাৰি প্ৰথমে বেটিঙৰ আমন্ত্ৰণ লাভ কৰা পাঞ্জাৱ কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৫৭ ৰাণ সংগ্ৰহ কৰে। পাঞ্জাৱৰ হৈ প্ৰভসীমৰণ সিঙে ৩৩, শশাংক সিঙে ৩১, জছ ইংলিছে ২৯ আৰু মাৰ্ক' জানছেনে ২৫ ৰাণৰ বৰঙণি আগবঢ়ায়। বেংগালুৰুৰ হৈ ক্ৰুণাল পাণ্ডিয়া আৰু সুয়াছ শৰ্মাই দুটাকৈ উইকেট দখল কৰাৰ বিপৰীতে ৰোমাৰীঅ' ছেফাৰ্ডে এটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত বাতৰি যুগুতোৱাৰ পৰলৈকে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ৫ অভাৰত এটা উইকেট ৪২ ৰাণ সংগ্ৰহ কৰিছে।

ইপিনে প্ৰতিযোগিতাৰ আনখন খেলত মুম্বাই ইণ্ডিয়ানছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত